# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 26-02-2025
**Time:** 1800 Hrs

# *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - -**

দেশৰ নৱৰত্ন কোম্পানীৰ অন্যতম - অইল ইণ্ডিয়া লিমিটেডে এডভাণ্টেজ অসমৰ দ্বিতীয় সংস্কৰণত অসম চৰকাৰৰ সৈতে কেইবাখনো বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। আমাৰ বিশেষ সংবাদদাতা ৰাজীৱ লোচন বৰঠাকুৰৰ সৈতে হোৱা আচুতীয়া সাক্ষাৎকাৰত অইল ইণ্ডিয়া লিমিটেডৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক ড০ ৰঞ্জিত ৰথে এই বিষয়ে প্ৰকাশ কৰি কয় যে অইলে গুৱাহাটীকে ধৰি অসমৰ পাঁচখন নগৰত নগৰীয়া গোটা আৱৰ্জনাৰ পৰা উচ্চ চাপযুক্ত জৈৱ গেছ উৎপাদন প্ৰকল্প স্থাপন কৰিব। তিনিচুকীয়া নগৰত স্থাপন কৰিবলগীয়া প্ৰথমটো এনে প্ৰকল্পৰ বাবে নিবিদা জাৰি কৰা হৈছে আৰু পৰৱৰ্তী দুবছৰৰ ভিতৰত এই প্ৰকল্পৰ পৰা উৎপাদন আৰম্ভ হ'ব।

ইয়াৰ উপৰি অইল ইণ্ডিয়াই অসম শক্তি উন্নয়ন নিগমৰ সৈতে অসমত এটা ভূগৰ্ভৰ পৰা তাপবিদ্যুৎ শক্তি উৎপাদন প্ৰকল্প স্থাপনৰ বাবে আন এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰিছে। অসমত সেউজীয়া হাইড্ৰ'জেনচালিত বিদ্যুৎ কেন্দ্ৰ স্থাপনৰ ক্ষেত্ৰতো অইল ইণ্ডিয়াই অসম চৰকাৰৰ সৈতে আন এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে বুলি ড০ ৰথে জানিবলৈ দিয়ে।

০০০০০

অসমে শক্তি সুৰক্ষাৰ ক্ষেত্ৰত সুকীয়া ধাৰা প্ৰৱৰ্তন কৰিছে আৰু অনাগত সময়ত এই খণ্ডত ৰাজ্যখনৰ ভূমিকা বৃদ্ধি পাব বুলি কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে প্ৰকাশ কৰিছে। গুৱাহাটীত অনুষ্ঠিত উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন দ্বিতীয় এডভাণ্টেজ আছামৰ আজি দ্বিতীয় দিনা **অসমৰ শক্তি সম্ভাৱনাৰ পূৰ্ণ ব্যৱহাৰ ঃ ভৱিষ্যতৰ বাবে প্ৰস্তুত তেল আৰু গেছ আন্তঃগাঁথনি নিৰ্মাণ, উদ্ভাৱন আৰু বিনিয়োগ** সম্পৰ্কীয় বিষয়ভিত্তিক সত্ৰত অংশ লৈ মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। এই সত্ৰৰ অংশ হিচাপে উদ্যোগপতি আৰু উদ্যমীসকলৰ এটা বৃহৎ সমাবেশত ভাষণ দি মন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰতৰ দৰে অৰ্থব্যৱস্থাৰ কাৰণে শক্তিৰ উপলব্ধ উৎসসমূহ ব্যৱহাৰ কৰাটো অতিকে গুৰুত্বপূৰ্ণ। সেউজ হাইড্ৰ'জেনক ভৱিষ্যতৰ ইন্ধন আৰু ৰূপান্তৰকাৰী বুলি অভিহিত কৰি শ্ৰী পুৰীয়ে কয়, যে সেউজ হাইড্ৰ'জেনৰ মূল্য হ্ৰাস কৰিব পাৰিলে ই শক্তি ব্যৱহাৰৰ প্ৰেক্ষাপট সলনি কৰিব। জৈৱ ইন্ধন মিশ্ৰণৰ সন্দৰ্ভত শ্ৰী পুৰীয়ে কয়, যে প্ৰথম অৱস্থাত ২০৩০ চনৰ ভিতৰত পৰম্পৰাগত ইন্ধনৰ সৈতে ২০ শতাংশ জৈৱ ইন্ধন মিহলি কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছিল যদিও এতিয়া এই সময়সীমা ২০২৫ চনলৈ আগুৱাই অনা হৈছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে অসমৰ ভাৰতীয় তেল নিগম লিমিটেডৰ চৌহদত পৌৰ আৱৰ্জনাৰ পৰা জৈৱ ইন্ধন উৎপাদনৰ বাবে সুকীয়া গৱেষণা শাখা স্থাপনৰ কথা ঘোষণা কৰে।

এই বিষয়ভিত্তিক সত্ৰত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে ভাৰতৰ তৈল উদ্যোগ খণ্ডত অসমে অগ্ৰণী ভূমিকা পালন কৰি আহিছে। বৃহৎ পৰিমাণৰ হাইড্ৰ'কাৰ্বন সংৰক্ষণ আৰু দক্ষ লোকৰ জৰিয়তে ভাৰতৰ শক্তিখণ্ডত অসমে গুৰুত্বপূৰ্ণ স্থান দখল কৰি আহিছে। ভাৰতৰ শক্তিখণ্ডৰ মানচিত্ৰত অসমৰ স্থানৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰগৰাকীয়ে কয়, যে দেশৰ মুঠ প্ৰাকৃতিক গেছৰ ১২ শতাংশ অসমতে উপলব্ধ। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সেউজ শক্তিৰ লক্ষ্যক বাস্তৱায়িত কৰি তোলাৰ বাবে অসম চৰকাৰ দৃঢ়প্ৰতিজ্ঞ।

০০০০০

বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন এডভাণ্টেজ আছামৰ আজি দ্বিতীয় দিনাও কেইবাটাও দেশী-বিদেশী ঔদ্যোগিক প্ৰতিষ্ঠানৰ সৈতে ৰাজ্য চৰকাৰে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। ৰাজ্য চৰকাৰ আৰু ষ্টাৰ চিমেণ্ট লিমিটেডৰ মাজত সম্পাদিত চুক্তি অনুযায়ী কোম্পানীটোৰ অধীনৰ ষ্টাৰ চিমেণ্ট নৰ্থ-ইষ্ট লিমিটেডে ৩ হাজাৰ ২০০ কোটি টকা বিনিয়োগেৰে

অসমত চিমেণ্ট ক্লিংকাৰ আৰু গুড়ি কৰা প্ৰকল্প স্থাপন কৰিব। একেদৰে ৰাজ্য চৰকাৰ আৰু গ্ল’বেল হেল্থ লিমিটেড মেডান্তাই আজি ৫০০ কোটি টকা ব্যয়েৰে বিভিন্ন ৰোগৰ চিকিৎসাৰ বাবে এখন অত্যাধুনিক মাল্টিস্পেচিয়েলিটী হাস্পতাল স্থাপনৰ বাবে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। ৰাজ্য চৰকাৰ আৰু মেথ্চন হাইড্ৰ’গ্ৰীণ প্ৰাইভেট লিমিটেডৰ মাজত এহেজাৰ ৫০০ কোটি টকা ব্যয়সাপেক্ষে অসমত এটা বছৰি ৯৫ কিলো টন উৎপাদন ক্ষমতাসম্পন্ন হাইড্ৰ’জেন আৰু ষ্টিম উৎপাদন প্ৰকল্প স্থাপনৰ বাবে চুক্তি সম্পাদিত হয়।

এই শীৰ্ষ সন্মিলনত আজি কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে ভিডিঅ’ কনফাৰেন্সিং ব্যৱস্থাৰে **পথ পৰিবহণ, ৰে’লৱে আৰু জাহাজ পৰিবহণ** শীৰ্ষক বিষয়ভিত্তিক এখন সত্ৰত ভাষণ দিয়ে।

00000

সমাপ্ত